# কৃতজ্ঞতা জ্ঞাপন

‘মিচিংসকলৰ বিবাহ পদ্ধতি’ এটি আলোচনা শীৰ্ষক প্ৰকল্পখন মৃণালী কাগয়ুং বাইদেউৰ তত্বাৱধানত প্ৰস্তুত কৰিবলৈ চেষ্টা কৰা হৈছে।

বিষয়বস্তু নিৰ্বাচনৰপৰা আদি কৰি গৱেষণা বিষয়ক বহুতো দিহা-পৰামৰ্শ আগবঢ়াই আৰু লগতে বিভিন্ন সমস্যাসমূহৰ সমাধাণৰ ক্ষেত্ৰত ড° মৃণালী কাগয়ুং বাইদেউৱে সম্পুৰ্ণ সহায় সহযোগিতা আগবঢ়াই এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰাত সহায় আগবঢ়ালে যাৰ বাবে তেখেতৰ ওচৰত চিৰকৃতজ্ঞ। তেখেতক হিয়াভৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি অসমীয়া বিভাগৰ সমূহ কৰ্মকৰ্তাক, মোৰ গৱেষণা পত্ৰত সহযোগিতা আগবঢ়োৱা গড়াজান মিচিং গাঁৱৰ নমিতা পলং, চম্পা পলং, লিলি পলং, চৰিয়া পথাৰৰ শেৱালি পলং আৰু মাইনী পলং ক ধন্যবাদ জনাঁলো।

এই চেগতে ডি.টি. পি. ত সহায় কৰি দিয়া ‘যতীন শইকীয়াক’ লগতে গৱেষণা ক্ষেত্ৰ অধ্যয়নৰ বাবে বিভিন্ন ঠাইলৈ লগত যোৱা আৰু কিতাপ পত্ৰ দি সহায় কৰা মোৰ মৰমৰ বান্ধৱী প্ৰিয়াশ্ৰী বৰুৱা, বাৰ্বী গগৈ, চয়নিকা শইকীয়া, ময়ূৰী বাঢ়ৈ আৰু গৱেষণা কাৰ্যত আৰম্ভণিৰে পৰা সহায় সহযোগিতা আগবঢ়োৱা মোৰ মা, দেউতা আৰু ভণ্টীৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰলো।

পলি কলিতা
স্নাতক ষষ্ঠ ষান্মাসিক
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়

# <u>মিচিংসকলৰ বিবাহ পদ্ধতি</u>

## <u>সূচীপত্ৰ</u>

কৃতজ্ঞতা
তত্বাৱধায়কৰ প্ৰমাণ প্ৰত্ৰ
বিভাগীয় প্ৰধাণৰ প্ৰমাণ প্ৰত্ৰ
০.০০ অৱতৰণিকা
০.০১ বিষয়ৰ পৰিচয়
০.০২ বিষয়ৰ উদ্দেশ্য
০.০৩ বিষয়ৰ পৰিসীমা
০.০৪ বিষয়ৰ অধ্যয়ন পদ্ধতি
০.০৫ পূৰ্বকৃত অধ্যয়ন
প্ৰথম অধ্যায় ঃ ১.০০ মিচিংসকলৰ পৰিচয় আৰু ইতিহাস
দ্বিতীয় অধ্যায় ঃ ২.০০ মিচিংসকলৰ বিবাহ পদ্ধতি
তৃতীয় অধ্যায় ঃ ৩.০০ মিচিং জনগোষ্ঠীৰ সাজপাৰ
চতুৰ্থ অধ্যায় ঃ ৪.০০ বিবাহৰ ৰীতি-নীতি
পঞ্চম অধ্যায় ঃ ৫.০০ উপসংহাৰ
৫.০১ সিদ্ধান্ত
প্ৰসংগ টোকা
গ্ৰন্থপঞ্জী
সমলদাতাসকলৰ সংক্ষিপ্ত তথ্য
আলোকচিত্ৰ

**০.০০ অৱতৰণিকা ঃ**

অসমৰ বিভিন্ন জাতি-জনজাতিৰ সমন্বয় ভূমি ইয়াৰে এটি অন্যতম জাতি হ'ল মিচিং জনজাতি। মিচিংসকল মংগোলীয় নৃগোষ্ঠীৰ অন্তৰ্গত তিব্বত বৰ্মী ভাষাগোষ্ঠীৰ লোক। মিচিংসকল মিৰি নামেৰেও পৰিচিত। মিচিংসকল প্ৰথমতে ক'ত বসবাস কৰিছিল তাৰ সন্দৰ্ভত বিভিন্নজনে বিভিন্ন মতভেদ আগবঢ়াইছে। মিচিংসকল বৰ্তমান ভৈয়ামত বাস কৰা এটা উল্লেখযোগ্য জনজাতি। আদিতে তেওঁলোক অসমৰ উত্তৰ পূৰ ফালে থকা পাহাৰত আছিল বুলি জনাজায়। বৰ্তমান আৱৰ পাহাৰত থকা 'মায়িং আৰু দাম্ৰ' নামৰ দুই জাতিৰ মানুহৰ পৰাই এওঁলোকে ফাটি আহিছে বুলি অনুমান কৰা হয়। পাহাৰত থকা মিচিং আৰু ভৈয়ামত থকা মিচিংসকলৰ মাজত বহুত সাদৃশ্য-বেসাদৃশ্য লক্ষ্য কৰা যায়। চুতীয়া ৰাজত্বৰ শেষ আৰু অহোম ৰাজত্বৰ আৰম্ভণিতে মিৰিসকল ভৈয়ামলে নামি আহিছিল বুলি জনাজায়। 'মিৰি' শব্দই প্ৰথমতে মিচিংসকলৰ পুৰোহিতক বুজোৱা হৈছিল যদিও কালক্ৰমত এই শব্দৰে জাতিটোক বুজাবলৈ ব্যৱহাৰ কৰা হয়। মিচিংসকল বৰ্তমান অৰুণাচল প্ৰদেশ, উজনি অসম আৰু উত্তৰ অসমৰ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ বোৰৰ পাৰত বসবাস কৰা এক খিলঞ্জীয়া জনজাতিয় জনগোষ্ঠী। তেওঁলোকৰ নিজা ভাষা সংস্কৃতিৰে পৰিপূৰ্ণ এখন সমাজ আছে। সাধাৰণতে নৈৰ পাৰত চাংঘৰত বাস কৰা বাবে মিচিংসকলৰ জীৱন-ধাৰণৰ পদ্ধতি নৈৰ ওপৰত ওতপ্ৰোতভাৱে জড়িত।

মিচিংসকলে বিভিন্ন সময়ত বিভিন্ন ধৰণৰ উৎসৱ-পাৰ্বণ পালন কৰে। তেওঁলোকৰ উৎসৱ সমূহ মূলতঃ কৃষিভিত্তিক। কৃষি কৰ্মৰ নানা স্তৰৰ মাজেদি তেওঁলোকৰ উৎসৱবোৰ পালন কৰা হয়। এই উৎসৱবোৰৰ মাজেদি মিচিংসকলৰ সামাজিক, সাংস্কৃতিক, ধৰ্মীয় বিশ্বাস, জীৱন ধাৰণ প্ৰণালী, খাদ্যভ্যাস, সাজপাৰ, নৃত্যগীত আদি প্ৰকাশ পায়। বৰ্তমান অৰুণাচল প্ৰদেশ আৰু অসমত বসবাস কৰা মিচিংসকলৰ লোক উৎসৱবোৰ বৈচিত্ৰময়। বৰ্তমান পাহাৰত মিচিং বুলি কোনো জনগোষ্ঠী নাই। তেওঁলোক প্ৰাচীন কালতে পাহাৰ এৰি অসমৰ সমতল ভূমিত বাস কৰিবলৈ লয়। ভাষাৰ ক্ষেত্ৰত মিচিং ভাষা তিব্বত বৰ্মীৰ অন্তৰ্গত অসম বৰ্মী শাখাৰ অন্তৰ্গত এটি ভাষা। তেওঁলোকে ব্যৱহাৰ কৰা কথিত ভাষাক মিচিং আগম বোলে। এই ভাষাৰ আছে কেইবাটাও উপভাষা। বাসস্থান বুলিবলৈ মিচিংসকল পৰম্পৰাগত ভাৱে চাংঘৰত বাস কৰে। নৈ ফালে মুখ কৰাকৈ সজা হয় চাংঘৰবোৰ। সাধাৰণতে মিচিংসকল যৌথ পৰিয়াল প্ৰেমী। উৎসৱ পাৰ্বণৰ দিশত ফাগুনৰ প্ৰথম বুধবাৰটোত মিচিংসকলে পালন কৰে আলি আই লিগাং উৎসৱ। সাজপাৰৰ ফালৰ পৰা মিচিং নাৰী বয়নশিল্পত কিমান নিপুণ তেওঁলোকৰ সাজ-পোছাক বোৰেই নৈপুণ্যৰ স্বাক্ষৰ বহন কৰে।

**০.০১ বিষয়ৰ পৰিচয় ঃ**

অসমত বসবাস কৰা এটা উল্লেখযোগ্য জনগোষ্ঠী হৈছে মিচিং জনগোষ্ঠী। ভৈয়ামলে আহি বিভিন্ন জনগোষ্ঠীৰ সান্নিধ্যত যুগ যুগ ধৰি বসবাস কৰি থাকিলেও মিচিংসকলে স্বকীয় সাংস্কৃতিক বৈশিষ্ট্যৰাজিয়ে এতিয়াও উজলি আছে। এই বৈশিষ্ট্যসমূহে তেওঁলোকৰ ৰীতি-নীতি, খাদ্য, বস্ত্ৰ, বাসস্থান, নৃত্য-গীত, লোকবিশ্বাস, সাজপাৰ আদি সমাজ জীৱন সকলো দিশতেই লক্ষ্য কৰা যায়। বিবাহ সামাজিক প্ৰতিমানৰ এক বিশ্বজনীন অনুষ্ঠান। মিচিং সমাজত বিবাহ পদ্ধতিৰ লগত অন্যান্য সমাজৰ বিবাহ পদ্ধতিৰ সাধাৰণ পাৰ্থক্য দেখা যায়। অৱশ্যে অৰুণাচলৰ 'আদি জনগোষ্ঠীৰ লগত এই প্ৰসংগত মিচিংসকলৰ সাদৃশ্য পৰিলক্ষিত। মিচিং ডেকা-গাভৰুসকলৰ মিলন অনেক ক্ষেত্ৰত তেওঁলোকৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিলেও তেওঁলোকে কিছুমান সামাজিক নীতি-নিয়ম বিশেষকৈ কৌবাঙৰ নিৰ্দেশ মানি চলিবলৈ

বাধ্য। মিচিং বিবাহ পদ্ধতি অতীজৰে পৰাই নিজস্ব ৰীতি-নীতিৰে প্ৰচলন হৈ আহিছে যদিও আৰ্য সংস্কৃতিৰ প্ৰভাৱৰ ফলত পূৰ্বতকৈ কিছু সলনি হৈছে। পৰম্পৰাগতভাৱে মিচিংসকলে চাৰিটা পদ্ধতিত বিবাহ সম্পন্ন কৰে। মিচিংসকলে বৰ্হিগোত্ৰীয় (Clan exegamous) আৰু আন্তঃ গোষ্ঠীয় (Tribe endegamous) বৈবাহিক নীতি মানি চলে। মিচিংসকলে নিজৰ জনগোষ্ঠীৰ ভিতৰতে বৈবাহিত সম্পৰ্ক হোৱাটো বিচাৰে।

**০.০২ বিষয়ৰ উদ্দেশ্য ঃ**

সংস্কৃতি হ'ল কোনো এটা জাতিৰ সৌন্দৰ্যৰ ভূষণ। সংস্কৃতিয়ে এটা জাতিৰ ৰুচি অভিৰুচি প্ৰকাশ ঘটায়। সংস্কৃতি মানৱ সৃষ্ট সামাজিক আচৰণ। অসমখন বিভিন্ন জাতি-জনজাতিৰ সমন্বয় ভূমি। ইয়াৰে এটি অন্যতম জাতি হ'ল মিচিং লোকসকল।

বিবাহ হৈছে সামাজিক এক বিশ্বজনীন অনুষ্ঠান। বিবাহ সংস্কৃতি এৰাব নোৱাৰা অংগ। পৃথিৱীৰ সকলো জাতিৰে নিজস্ব বিবাহ পদ্ধতি থকাৰ দৰে মিচিংসকলৰো স্বকীয় বৈশিষ্ট্য আৰু আকৰ্ষণীয় ৰীতি-নীতিৰে পৰিপূৰ্ণ বিবাহ পদ্ধতি আছে। গৱেষণা পত্ৰখনিত মিচিং জনগোষ্ঠীৰ সামগ্ৰিক আলোচনা দাঙি ধৰা প্ৰধান উদ্দেশ্য। মিচিংসকলৰ বিবাহ পদ্ধতিৰ বিষয়ে সকলোৰে আগত দাঙি ধৰাৰ লগতে মিচিং জাতিটোৰ বিষয়ে অধিক জানিবলৈ আৰু শিকিবলৈ বিষয়টো অধ্যয়ন কৰা হৈছে।

**০.০৩ বিষয়ৰ পৰিসীমা ঃ**

গৱেষণা পত্ৰখনত মিচিং জনগোষ্ঠীৰ এটি পৰিচয় দিয়াৰ লগতে তেওঁলোকৰ পৰম্পৰাগত বিবাহ পদ্ধতিৰ বিষয়ে আলোচনা কৰা হৈছে। পত্ৰখনত মিচিংসকলৰ বিবাহৰ লগত জড়িত ৰীতি-নীতি, সাজপাৰ, লোকাচাৰ, বাদ্যযন্ত্ৰ, ধৰ্মীয়বিশ্বাস, খাদ্যাভাস আদি বিষয়সমূহ সামৰি লোৱা হৈছে।

**০.০৪ বিষয়ৰ অধ্যয়ন পদ্ধতি ঃ**

কোনো এখন গৱেষণা পত্ৰ প্ৰস্তুত কৰোবলৈ হ'লে বিজ্ঞানসন্মত ভাৱে আলোচনা কৰিব লাগিব। গৱেষণা পত্ৰখনি প্ৰস্তুত কৰিবলৈ কেইবাটাও পদ্ধতি অৱলম্বন কৰা হৈছে।

প্ৰথমতে পত্ৰখনি প্ৰস্তুত কৰিবলৈ তথ্য সংগ্ৰহ পদ্ধতি হিচাপে সাক্ষাৎকাৰ পদ্ধতিৰ সহায় লোৱা হৈছে। এই পদ্ধতিত প্ৰধানকৈ কিছুমান গাঁৱলৈ গৈ তাত থকা মানুহৰ লগত সাক্ষাৎকাৰ লোৱা হৈছে। দ্বিতীয়তে, পত্ৰখনি প্ৰস্তুত কৰিবলৈ প্ৰধানকৈ বিশ্লেষণাত্মক পদ্ধতি আৰু পৰিচয়মূলক পদ্ধতি অৱলম্বন কৰা হৈছে। বিষয়টোৰ লগত প্ৰথমতে পৰিচয় হ'ব লাগিব আৰু বিষয়টো ভালদৰে বিশ্লেষণ কৰি গৱেষণা পত্ৰ প্ৰস্তুত কৰা হৈছে।

বিষয়টো অধ্যয়ন কৰিবলৈ যাওঁতে মিচিং জনগোষ্ঠীৰ বিভিন্ন পৰিচয়মূলক গ্ৰন্থৰ সহায় লোৱা হৈছে।

**০.০৫ পূৰ্বকৃত অধ্যয়ন ঃ**

গৱেষণা পত্ৰখন অধ্যয়ন কৰিবলৈ যোৱাৰ আগতে বহুকেইজন গৱেষক, সাহিত্যিক মিচিং জনগোষ্ঠীৰ বিবাহ পদ্ধতিৰ বিষয়ে বহুতো গ্ৰন্থত আলোচনা কৰা দেখা যায়। মিচিং জনগোষ্ঠীৰ বিবাহৰ বিষয়ে অধ্যয়ন কৰা কেইখনমান গ্ৰন্থ তলত আলোচনা কৰা হ'ল —

♦ সদানন্দ পায়েংকৰ দ্বাৰা সম্পাদনা কৰা "মিচিং জনজাতি সমাজ আৰু সংস্কৃতি" গ্ৰন্থখনত মিচিং জনগোষ্ঠীৰ বিবাহ অনুষ্ঠান, বিবাহৰ পদ্ধতি, বিবাহৰ ৰীতি-নীতি বিষয়ে অধ্যয়ন কৰা দেখা যায়।

♦ ড০ অংশুমান দাসৰ সম্পাদনা কৰা “অসমৰ বাৰেবৰণীয়া সংস্কৃতি” গ্ৰন্থত বিমান কুমাৰ দলে আৰু পংকুল প্ৰীতম দলে মিচিংসকলৰ বিবাহ পদ্ধতিৰ পৰম্পৰা, মিচিংসকলৰ বিবাহ পদ্ধতিৰ পৰিবৰ্তনৰ বিষয়ে আলোচনা কৰিছে।

♦ পদ্মপাটৰ সম্পাদনা কৰা “জনজাতি সমাজ সংস্কৃতি” গ্ৰন্থত দীপ্তিশিখা নাথে মিচিং জনগোষ্ঠীৰ ধৰ্মীয় ভাৱনাৰ বিষয়ে আলোচনা কৰিছে।

ইয়াৰ উপৰিও ড০ গনেশ পেগুৰ “ব্ৰহ্মপুত্ৰ উপত্যকাৰ মিচিং জনজাতি আৰু তেওঁলোকৰ মৌখিক-সাহিত্যৰ সমীক্ষামূলক অধ্যয়ন”, গকুল গগৈৰ “মিচিং জনগোষ্ঠীৰ লোক সংস্কৃতি” আদি বিভিন্ন গ্ৰন্থত মিচিংসকলৰ বিবাহৰ বিষয়ে অধ্যয়ন কৰা হৈছে।

### প্ৰথম অধ্যায়

## মূল বিষয়ৰ অলোচনা

## ১.০০ মিচিংসকলৰ পৰিচয় আৰু ইতিহাস ঃ

অসমৰ বিভিন্ন জনগোষ্ঠীৰ মিলনভূমি। অসমত বাস কৰি থকা জনগোষ্ঠীসমূহৰ ভিতৰত মিচিং সকল অন্যতম। অসমীয়া জাতিৰ বাৰেবৰণীয়া কৃষ্টি-সংস্কৃতি জীয়াই ৰখাৰ মিচিংসকলৰ অৱদান। বড়ো-কছাৰীসকলৰ পিছতেই অসমৰ ভৈয়ামৰ জনজাতি সমূহৰ ভিতৰত দ্বিতীয় বৃহত্তম জনজাতি। মিচিংসকল মূলতে মংগোলীয় জনগোষ্ঠীৰ মান-তিব্বতীয় শাখাৰ অন্তৰ্গত। ভৈয়ামত থকা মিচিংসকল সাধাৰণতে নৈৰ পাৰত চাংঘৰ সাজি গাওঁ পাতি বাস কৰে। মিচিংসকল আদিতে অসমৰ উত্তৰ পূবফালৰ পাহাৰত আছিল আৰু বৰ্তমান অৰুণাচলৰ চিয়াং জিলাত থকা 'মিয়ং' আৰু 'দাম্' নামৰ দুই জাতিৰ পৰাই ফাটি আহিছে। অসমৰ ধেমজি, তিনিচুকীয়া, লখিমপুৰ, ডিব্ৰুগড়, শিৱসাগৰ, গোলাঘাট, যোৰহাট, মাজুলী, দৰং, শোণিতপুৰ জিলাত মিচিংসকলে প্ৰধানকৈ বাস কৰিছে। সাধাৰণতে নৈৰ পাৰত চাংঘৰত বাস কৰা বাবে মিচিংসকলৰ জীৱন-ধাৰণৰ পদ্ধতি নৈৰ ওপৰত ওতপ্ৰোতভাৱে জড়িত।

অসমৰ জাতীয় জীৱন গঢ়াৰ ক্ষেত্ৰত আৰ্যভিন্ন জনগোষ্ঠীসমূহৰ অনবদ্য অৱদান অপৰিসীম। ভিন্ন জাতি-জনজাতি আৰু জনগোষ্ঠীয় সু-সমন্বয়ত গঢ়ি উঠা বৃহত্তৰ অসমীয়া জাতি আৰু সংস্কৃতিৰ ভেটি তনকিয়াল কৰাত অসমৰ দ্বিতীয় বৃহত্তম জনগোষ্ঠী হৈছে মিচিংসকল।শাৰীৰিক গঠনৰ ফালৰপৰা মিচিংসকল মংগোলীয় আৰু তিব্বত-বৰ্মীয় জনগোষ্ঠীৰ লোক। তেওঁলোকৰ শাৰীৰিক গঠন অন্যান্য মংগোলীয় সৈতে মিল আছে।

ভাষাৰ ক্ষেত্ৰত মিচিং ভাষা তিব্বত বৰ্মীয় অন্তৰ্গত অসম বৰ্মী শাখাৰ অন্তৰ্গত এটা ভাষা। তেওঁলোকে ব্যৱহাৰ কৰা কথিত ভাষাক মিচিং আগম বোলে। এই ভাষাৰ আছে কেইবাটাও উপভাষা।

খাদ্য সম্ভাৰৰ দিশৰপৰা মিচিং সকলৰ খাদ্যৰ জুতি লোৱাত পাৰ্গত। ৰন্ধন প্ৰণালিও দেখা যায় বিশেষ ৰকমৰ। পুৰাং, দুবিধ আপং (ছাই আপং আৰু নগজিন) পিনকাং আপিন, নামছিং, আমৃং অয়ং বহুতো জনজাতীয় খাদ্য আছে। লাই গাহৰিকে ধৰি বিভিন্ন বনৰীয়া শাকৰ লগত গাহৰি জুতিবোৰ ইমানেই সুস্বাদু যে খালে খাই থাকিবৰ মন যায়।

বাসস্থান বুলিবলৈ মিচিংসকল পৰম্পৰাগতভাৱে চাংঘৰত বাস কৰে। বাহ, বেত, কাঠ, খেৰ আদিৰে নিৰ্মিত চাংঘৰ নিৰ্মাণৰ সময়ত মিচিং নীতি-নিয়মেৰে ঘৰ সজা হয়। নৈ ফালে মুখ কৰাকৈ সজা হয় চাংঘৰবোৰ। সাধাৰণতে মিচিংসকল যেথ পৰিয়ালপ্ৰেমী।

উৎসৱ-পাৰ্বণৰ দিশত বসন্তকাল অহাৰ মাত্ৰকে মিচিংসকলৰ আনন্দত তত নোহোৱা হয়। কাৰণ ফাগুণৰ প্ৰথম বুধবাৰটোত মিচিংসকলে পালন কৰে আলি আই লিগাং উৎসৱ। মিচিং নৃত্য গীতেৰে চৌদিশ মুখৰিত হয়। অন্যহাতে পঃৰাগ উৎসৱৰো আছে এক বিশেষ তাৎপৰ্য। আঃমৰাগ, দবুৰ পূজা পালন কৰে।

সাজপাৰৰ ফালৰ পৰা মিচিং নাৰী বয়নশিল্পত কিমান নিপুণ তেওঁলোকৰ সাজ-পোছাক বোৰেই নৈপুণ্যৰ স্বাক্ষৰ বহন কৰে। মিচিংসকলে মোহনীয় চিত্ৰৰে বুটা বচা বোৱা কাপোৰ পৰিধান কৰে। মচাং, এগে, ৰিবি, গাচেম, গেৰঃদুমৰি পৰিধান কৰা বিপৰীতে পুৰুষসকলে পৰিধান কৰে মিবু গালুক, উগন গালুগ, দুমৌৰ পৰিধান কৰে। নৃত্যৰ ক্ষেত্ৰতো গুমৰাগ মিচিংসকলৰ প্ৰধান কৃষি নৃত্য। ৰৈল, মিবু দাগনামো পৰিবেশন কৰে। অন্যহাতে ঐনিতম, আঃবং, কাবানৰ উপৰি মিদাঃ নিঃতম্, মমান, বৃনিঃ আদি গীত সমাজ আৰু পৰিবেশনৰ ৰীতিৰ ওপৰত নিৰ্ভৰ কৰে।

ধৰ্মৰ দিশত মিচিংসকলে সমাজৰ লগত খাপ খোৱাকৈ হিন্দু বা কিছু সংখ্যকে খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰে যদিও কোনো দেৱ-দেৱীক পূজা নকৰে। পৰম্পৰা নাই কোনো মূৰ্তি পূজাৰ। নিকটস্থ উপাস্য শক্তিৰূপে দঃঞি পঃল, দঃমুগ, দংকং, আউচাৰ, পৌদং, মুদলুং,তাঃত য়াঃয়, ৰুগজি মেঃৰাং আদি সকলোকে স্মৰণ কৰে।

জীৱিকা বুলিবলৈ আৰ্থসামাজিক কৃষিক মূল জীৱিকা হিচাপে লৈ  জীয়াই থকা মিচিংসকলৰ পশু পালন কৰাটো এক প্ৰাচীন পৰম্পৰা। ভিন্ন শস্যৰ খেতি কৰাৰ উপৰিও কুকুৰা, গাহৰি, গৰু-ছাগলী আদি পুহি জীৱিকা নিৰ্বাহ কৰে। অৱশ্যে বহুলোক শিক্ষিত হৈ অৰ্থ বাণিজ্যত হাত দিছে।

মিচিংসকল বৰ শান্তিপ্ৰিয় লোক। ব্ৰহ্মপুত্ৰৰ বুকুৰেদি পাৰ হৈ অহা শীতল বতাহ জাকে মনপ্ৰাণ কাঢ়ি নিয়ে। হৃদয়স্পৰ্শী ঐনিঃতমৰ সুৰে মতলীয়া কৰি তোলে প্ৰত্যেকৰে মন। বৃহত্তৰ অসমীয়া জাতিৰ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতি জীয়াই ৰখাত মিচিংসকলৰ অৱদান অপৰিসীম।

## দ্বিতীয় অধ্যায়

### ২.০০ মিচিংসকলৰ বিবাহ পদ্ধতি ঃ

বিবাহ মানৱ জীৱনৰ লগত জড়িত এটা সামাজিক অনুষ্ঠান। এই বিবাহ সংস্কৃতিৰো এৰাব নোৱাৰা অংগ। পৃথিৱীৰ সকলো জাতিৰে নিজস্ব বিবাহ পদ্ধতি থকাৰ দৰে মিচিংসকলৰো স্বকীয় বৈশিষ্ট্য আৰু আকৰ্ষণীয় ৰীতি-নীতিৰে পৰিপূৰ্ণ বিবাহ পদ্ধতি আছে। মিচিং সমাজত পৰম্পৰাগত ভাৱে প্ৰচলিত বিবাহ পদ্ধতিসমূহ তিনিটা ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি —

(ক) মিদাং মনাম্ বা দাঃৰ মিদাং

(খ) দুগলা লাঃনাম

(গ) কুম্‌বচুলা লাঃনাম

### (ক) মিদাং মনাম্ বা দাঃৰ মিদাং ঃ

মিচিং ভাষাত মিদাং মানে বিবাহ। মিচিং সমাজৰ  বিবাহ আৰু অন্য সমাজৰ বিবাহ পদ্ধতিৰ লগত কিছু পাৰ্থক্য দেখ যায়। ইয়াৰ আয়োজন আৰু সমাধাণত পুৰণি বিশ্বাস আছে। এই বিবাহ কেইবাটাও পৰ্যায়ত সম্পন্ন কৰিবলগীয়া হয়। প্ৰথম পৰ্যায়ত লৰাৰ দেউতাকে ছোৱালীৰ মাক-দেউতাকলৈ এজন কটকীৰ যোগেদি বিয়াৰ প্ৰস্তাব প্ৰেৰণ কৰে। কটকী হিচাপে সাধাৰণতে ল'ৰাৰ মোমায়েক বা পেহাকক নিয়োগ কৰা হয়। কটকীজনে এটোম কুঢ়িমাছ, এটোপোলা আপং, এটোপোলা তামোল-পাণ লৈ ছোৱালীৰ ঘৰত উঠাতো নিয়ম।  কটকীজনে সামগ্ৰীখিনি লৈ ছোৱালীৰ ঘৰ পোৱাৰ পাছত ছোৱালী ঘৰৰ কোনো বয়সস্থ লোকক তেওঁ অহাৰ উদ্দেশ্যৰ কথা গোপনে জনায়।

কটকীৰ প্ৰস্থানৰ পাছত ঘৰৰ মুৰব্বীৰ তত্বাৱধানত পৰিয়ালৰ সকলো সদস্যৰ উপস্থিতিত টোপোলা খোলা হয়। টোপোলাটো সাধাৰণতে ছোৱালীৰ মোমায়েক বা পেহাকক খুলিবলৈ দিয়া হয়। নিয়ম অনুসৰি টোপোলাটোৰ পৰা এটা পূৰঠ তামোল ফালি প্ৰস্তাৱিত দম্পতীৰ মংগল-অমংগল নিৰ্ণয় কৰা হয়। সমানে দুফাল কৰা তামোলটোৰ যদি দুয়োফালেই নিঘুণ হয়, তেন্তে প্ৰস্তাৱিত বিবাহত দম্পতীহাল সুখী হ'ব আৰু যদি নিঘুণ নহয়, তেন্তে সেই বিয়া সম্পাদন কৰিলে দম্পতিহালৰ দুৰ্গতি হ'ব বুলি বিশ্বাস কৰে।

ইয়াৰ পৰা ছোৱালীঘৰৰ পৰা ইতিবাছক উত্তৰ আহিলে দুয়োটা পৰিয়ালে মিলি এটা দিন স্থিৰ কৰে, যিদিনা ল'ৰাঘৰে আনুষ্ঠানিকভাৱে ছোৱালীঘৰত ছোৱালী খোজা কাৰ্য সম্পাদন কৰে, ইয়াক 'য়ামনৌ তাদঞ্জনাম' বোলে।

'য়ামনৌ তাদ্‌নাম' পৰ্ব সম্পূৰ্ণ হ'লে ল'ৰাই ছোৱালীঘৰত মাজে মাজে এসপ্তাহ দহদিনৰ কাৰণে কটাই সামান্য কাম বন কৰি দিব লাগে। ইয়াক 'মাগ্‌ব-দুগ্‌নাম' বুলি কোৱা হয়। 'মাগ্‌ব-দুগ্‌নাম'  কাৰ্য চলি থকা সময়তে দৰা আৰু কইনা উভয়েই নিজৰ গাঁৱত 'য়াঃমেঃ-মৃমবৃৰ' সংগঠনৰ পৰা আৰ্শীবাদ লয়। প্ৰতিখন মিচিং গাঁৱত এনে সংগঠন থাকে। ল'ৰা-ছোৱালীৰ পিতৃ-মাতৃয়ে এটোপোলা তামোল-পাণ দি সংগঠনৰ মুৰব্বীজনক নিমন্ত্ৰণ কৰে। তেওঁৰ নিৰ্দেশক্ৰমে সংশ্লিষ্ট ঘৰৰ চোতালত ডেকা-গাভৰুবোৰ গোট খাই বিহু মাৰি নাচ-গান গাই দৰা বা কইনাক আৰ্শীবাদ দিয়ে। এই প্ৰথাক 'য়াঃমেঃ মৃমবৰ কুমনাম' বুলি কোৱা হয়। মূল বিয়াৰ দিনা দৰাক নোৱাই-ধুৱাই নতুন 'গালুক' (চোলা), 'গন্‌ৰ উগন' (ধুতি), 'দগ্‌নৌ দক্‌চৰি' (ডিঙিত পিন্ধা মণি), গামখাৰু আদি পিন্ধাই কইনাঘৰলৈ নিয়া হয়। দৰাক নোৱাবৰ বাবে পানী তুলিবলৈ দুজনী পিতৃ-মাতৃ জীৱিত অপুস্পিতা ছোৱালী নিৰ্বাচন কৰা হয়। সংগ্ৰহ কৰা পানীত মাহ, হালধি, মিঠাতেল আদি মিহলাই এখন ওখ পীৰাত বহোৱাই দৰাক নোৱায়।

দৰাৰ কাৰণে এজনী গাভৰু আৰু এজন ডেকা ল'ৰা আৰু কইনাৰ কৰণে দুজনী গাভৰু ছোৱালী 'য়ামগুৰ' (লগৰী বা সখী) হিচাপে সজাই মাজত দৰা বা কইনাক বহিবলৈ দিয়া হয়। য়ামগুৰ হ'বলৈ হ'লে ডেকা-গাভৰুসকলৰ পিতৃ-মাতৃ জীৱিত থাকিব লাগিব। দৰাপক্ষই সেইদিনা কইনাঘৰৰ বাবে পূৰ্বে বন্দবস্ত কৰা মতে নিৰ্দিষ্ট সংখ্যক গাহৰি, আপঙৰ টোপোলা আৰু তামোল-পাণ নিয়ে। দৰা আহি পোৱাৰ লগে লগে কইনাপক্ষৰ বয়সীয়া পুৰুষ মহিলাই দৰাক আদৰে।

কইনাঘৰত দৰাক আদৰিবলৈ কলপুলিৰ এখন তোৰণ সজা হয়। দৰা গৈ তোৰণখনৰ সন্মুখ পোৱাৰ লগে লগে কইনাৰ মাক বা খুৰীয়েকে দৰাক চুম্বন কৰি আৰ্শীবাদ দি আদৰি নিয়ে। সেই কাৰ্যত মাক বা খুৰিয়েকৰ চৌপাশে এজাক জীয়ৰী-বোৱাৰীয়ে এখন কাঁহীত এগজি শলিতা জ্বলাই বিয়ানাম গাই সহযোগ কৰে। বিয়ানামক মিচিং ভাষাত 'মিদাং নিঃতম' বোলে। আনুষ্ঠানিকভাৱে দৰাক আদৰাৰ পাছত সেই ৰাতিটোৰ বাবে এখন সাধাৰণ ৰভাৰ তলত থাকিবলৈ দিয়া হয়।

পিছদিনা পুৱাই কইনাক নোৱাই-ধুৱাই 'মচাং এঃগে-গাচৰ' (মিচিং পৰম্পৰাগত ফুলাম মেখেলা-চাদৰ), 'দক্চৰি' (ডিঙিত পিন্ধা মণি বিশেষ), 'দগ্নী-তাদ্ক' (ৰঙা মণি বিশেষ), গামখাৰু আদি পিন্ধাই সজাই তোলে। তাৰ পাছত দৰাক নতুনকৈ সজা জখলাইদি (জখলা পূৰমুৱা গছ বা ডাঙৰ গছৰ ডাল হ'ব লাগিব) ঢোলে দগৰে 'য়াম্লা' (এবিধ বিশেষ আদৰণী ঢোলৰ ছেও) আদৰি নিয়া হয় আৰু দৰা-কইনাক একেখন কাঁহীতে একেলগে 'জঃচাক্ আপিন' (বিশেষ ধৰণে ৰন্ধা মাংস ভাত) শুকান কুঢ়িমাছ খাবলৈ দিয়া হয়। খোৱাৰ পাছত দৰা-কইনাক সাধু-ভকতে ৰাইজৰ সন্মুখত বহুৱাই আৰ্শীবাদ দিয়ে আৰু এই মাংগলিক কাৰ্যৰ লগতে কইনাদান কাৰ্যও সম্পাদন কৰে। মিচিং সমাজত আন সমাজৰ দৰে হোম পুৰি পুৰোহিতৰ দ্বাৰা বেদ-মন্ত্ৰ গাই বিয়া পতাৰ নাম নাই। তাৰ পৰিৱৰ্তে কেৱল ভকত বা বৃদ্ধলোকৰ দ্বাৰা কুম্দাং ৰিংগ্ং-লৈ (ঘৰৰ পালিতা দেৱ-দেৱীলৈ) সেৱা কৰি আৰ্শীবাদেৰেহে বিয়া পতা হয়। সেই কাৰ্য শেষ হোৱাৰ লগে লগে কইনাক লৈ চাঙৰ পৰা নামে আৰু চোতালত সমূহ গঞাৰ পৰা আৰ্শীবাদ লয়। এই পৰ্ব শেষ হোৱাৰ পাছত দৰাই কইনাক নিজ ঘৰলৈ লৈ যায়।

দৰাঘৰৰ সন্মুখতো তোৰণ সজা হয়। এই তোৰণলৈ দৰাৰ মাক বা খুৰিয়েকে মূৰত ওৰণি লৈ বটা এখনত তামোল-পাণৰ সৈতে এগজি বন্তি জ্বলাই  ন-বোৱাৰীক আদৰিবলৈ আহে। ন-বোৱাৰীক নতুন জখলাৰে ঘৰৰ চাঙেৰে উঠাই নিয়ে। দুৱাৰমুখত দুফালে দুকলহ পানী, চাউল আৰু ধানৰ পাচি ৰখা হয়। ন-কইনাই এই পানী, চাউল আৰু ধানত স্পৰ্শ কৰি ভিতৰলৈ যায়। ভিতৰত দুজনীমান জীয়ৰী-বোৱাৰীয়ে ন-কইনাৰ সেওঁতাত সেন্দুৰ দিয়ে। এই পদ্ধতি মিচিং সমাজত প্ৰচলিত অনিবাৰ্য প্ৰথা।

কইনাঘৰৰ দৰে দৰাঘৰতো 'জঃচাক আপিন' খোৱাৰ আয়োজন থাকে। দৰা-কইনাক 'জঃচাক আপিন' খুওৱাৰ পছতে ডেকা-গাভৰু, গঞা আৰু নিমন্ত্ৰিত আলহীয়ে ভোজ খাই ঘৰাঘৰি যায়।

**(খ) দুগলা লাঃনাম ঃ**

পলুৱাই নি পতা বা গন্ধৰ্ব প্ৰথামতে পতা বিবাহক 'দুগলা লাঃনাম' বুলি কোৱা হয়। ই কেৱল ডেকা গাভৰুৰ মত অনুসৰি স্বইচ্ছাৰে পতা বিবাহ পদ্ধতি। মিচিং সমাজৰ বিবাহ পদ্ধতিসমূহৰ ভিতৰত 'দুগনা লাঃনাম' পদ্ধতিৰে যুগ যুগ ধৰি প্ৰাধান্য লাভ কৰি আহিছে। ভৃগুমুনি কাগয়ুঙৰ মতে মিচিং সমাজত প্ৰচলিত গন্ধৰ্ব বিবাহ পদ্ধতিৰ একোটা সুকীয়া বৈশিষ্ট্য আছে যদিও ই লোকসমাজৰ অজ্ঞাত আৰু লোকদৃষ্টিত আচহুৱা যেন লাগে। এই পদ্ধতি মতে লৰা ছোৱালীৰ মাজত হোৱা গোপন সিদ্ধান্ত মতে নিৰ্দিষ্ট দিনত

লৰাই ছোৱালীজনীক ঘৰৰ পৰা পলুৱাই লৈ আনে আৰু গোপন স্থানত কিছু দিনৰ কাৰণে ৰাখে। পলুৱাই অনা দুই এদিনৰ পাছতেই ছোৱালীঘৰত জাননী দিবলৈ 'দুগতাদ' (দুত) এজন পঠিওৱা হয়। 'দুগতাদৰ' জাননীৰ পাছত ছোৱালীজনীক দৰাঘৰত তোলা হয়।

ন-ছোৱালীক ঘৰত তুলিবৰ সময়তো 'মিদাঙ'ৰ দৰে দুৱাৰমুখত দুকলহ পানী, দুপাচি ধান বা চাউলৰ ব্যৱস্থা কৰা হয়। নৱদম্পতীয়ে জখলাইদি উঠি কলহৰ পানী, পাচীৰ ধান বা চাউল স্পৰ্শ কৰি মাক-দেউতাকৰ ভৰি চুই সেৱা কৰে। ন-বোৱাৰীয়ে দৰাৰ ঘৰত প্ৰাথমিক কাৰ্য হিচাপে 'মৌৰাম' (চৌকা) মচিব লাগে। তাৰ পছত দুটা গাগৰিত নৈ বা দমকলৰপৰা পানী তুলি কঁকাল বা মূৰত লৈ চাঙত উঠাতো নিয়ম। কঁকাল বা মূৰৰ গাগৰি কেনেবাকৈ পৰিলে তাক অমংগলৰ চিন বুলি মিচিংসকলে বিশ্বাস কৰে। ন-বোৱাৰী অনাৰ দিনা ৰাতি 'য়াম্‌নৌ-তনচাং' কোনো কোনো অঞ্চলত 'য়াম্‌নৌ লাঃচাং' (ন ছোৱালীঘৰত তোলা পৰ্ব) অনুষ্ঠিত হয়। এই পৰ্বত ন-ছোৱালীয়ে চেকা আপঙেৰে অভ্যাসগতসকলক আপ্যায়ন কৰ হয়।

সেইখিনি সম্পন্ন হোৱাৰ পাছত আৰম্ভ হয় তৃতীয় পদক্ষেপ। ছোৱালী অনা এমাহ বা দুমাহ পাছত ল'ৰাপক্ষৰ মানুহে ছোৱালীপক্ষৰ ঘৰলৈ 'অৰাই আলৃগ' দিবলৈ যায়। 'অৰাই আলৃগ'ৰ অৰ্থ ছোৱালীৰ কইনামূল্য বা গা-ধন। এই উদ্দেশ্য ল'ৰা পক্ষৰ ছয়-সাতজন আদহীয়া বাক্‌পটু মুনিহ-তিৰোতা কইনাৰ ঘৰলৈ যায়। তেওঁলোকে লগত আপং, মাছ, তামোল-পাণ আদি নিয়ে। গা-ধনৰ কোনো নিৰ্দিষ্ট নিৰিখ নাই। এযোৰ তামোল-পাণ বা পাঁচ-দহ টকাৰেও গা-ধন কাৰ্য সম্পন্ন হ'ব পাৰে। ছোৱালীঘৰে গা-ধনৰ নামত যথোপযুক্ত বস্তু পোৱাৰ পাছত মিতিৰ পাতে। গা-ধন পৰিশোধ নকৰা পৰ্যন্ত মাক-দেউতাকৰ ছোৱালী ঘূৰাই অনাৰ স্বত্ব থাকে। সেইদিনা ল'ৰাপক্ষই ছোৱালীপক্ষৰ গাঁৱৰ ইমূৰৰপৰা সিমূৰলৈকে প্ৰতিঘৰতে তামোল-পাণ বিলাব লাগে। এনেদৰে ল'ৰা-ছোৱালীবিলাকৰ বিবাহ আনুষ্ঠানিকভাৱে স্বীকৃত হোৱাৰ পাছত দৰা আৰু কইনাই তিনি-চাৰি মাহৰ পিছত দুজন ডেকা ল'ৰা, দুজনী গাভৰু ছোৱালী আৰু এটি আদহীয়া দম্পতীৰ লগত আঠমঙলা খাবলৈ যায়। এনেবোৰ সামাজিক নীতি বিচাৰত দৰা কইনা নিমিত্ত মাঁথো, পূৰ্বাপৰ প্ৰচলিত দা-দস্তুৰৰ কথাই প্ৰধান হৈ পৰে।

**(গ) কুম্‌বচুলা লাঃনাম ঃ**

কুম্‌বচুলা লাঃনাম বা কুমচু-দঃচুলা লাঃ নামক বিবাহ বুলি ক'ব পাৰি। কেতিয়াবা সকলো পক্ষৰ সন্মতি থকাৰ পাছতো অনিবাৰ্য কাৰণত ডাঙৰকৈ 'মিদাং' পাতিব নোৱাৰিলে বা মাক-দেউতাকৰ অগোচৰে দুগ্‌লা লাঃনাম বিয়া পাতিবলৈ মন নকৰিলে এই পদ্ধতিত বিয়া অনুষ্ঠিত কৰে। কুম্‌বচুলা লাঃনাম পদ্ধতি অতি সহজ আৰু মিতব্যয়ী। দুয়োপক্ষই ঠিক কৰা এটা সুবিধাজনক দিনত ল'ৰাই কেইজনমান আপোন মানুহ আৰু বন্ধু-বান্ধৱ লৈ ছোৱালীৰ ঘৰলৈ যায়। কইনা ঘৰেও গাঁৱৰ দুই চাৰিজন বয়োজ্যেষ্ঠ আৰু ডেকা-গাভৰু মাতি আনি অলপিয়াকৈ এটা ভোজ ভাতৰ আয়োজন কৰে। দৰা কইনাকে ধৰি সমবেত সকলোকে এসাজ ভাত, আপং আপ্যায়ন কৰাৰ পাছত এগজি চাকি জ্বলাই দৰা কইনাক ৰাইজক সেৱা কৰিবলৈ দিয়া হয়। সমবেত ৰাইজে দঃঞিৰ-পঃল (সূৰ্য-চন্দ্ৰ) ক সাক্ষী কৰি জয়ধ্বনী দি দৰা কইনাক আৰ্শীবাদ দি তেওঁলোকৰ মিলনক সামাজিকভাৱে স্বীকৃতি দিয়ে। কইনাঘৰৰ কৰনীয় খিনি সমাধা কৰি দৰা কইনা ল'ৰা ঘৰলৈ যাত্ৰা কৰে। সামান্য নীতি-নিয়মৰ মাজেদি কইনাক আদৰা পাছত সাধু সাতোলা আৰু সমবেত ৰাইজক শৰাই দি দৰা-কইনাই সেৱা কৰে। ৰাইজে নৱ-দম্পতীৰ কুশলাৰ্থে আৰ্শীবাদ দিয়ে। সিমানতে এই পদ্ধতিৰ বিবাহ পৰ্ব সামৰণি পৰে।

## তৃতীয় অধ্যায়

### ৩.০০ মিচিং জনগোষ্ঠীৰ সাজপাৰ ঃ

প্ৰত্যেক জনজাতিৰ দৰেই মিচিংসকলৰ নিজস্ব লোক-সংস্কৃতি আছে। মিচিং পৰম্পৰাগত সাজপাৰৰ 'গামিগ' (ফুল) ৰ আৰ্হি আৰু ৰঙৰ সংমিশ্ৰণ বিশ্বৰ ভিতৰতেই লেখত লবলগীয়া বুলি গণ্য কৰা হয়। মিচিং শিপিনীৰ কৰ্মনিপুণতা আৰু ঘৰত বোৱা জাতীয় সাজপাৰে মিচিং জাতিটোক বিশ্বৰ ভিতৰতে এক শিল্পজাত জাতি হিচাপে প্ৰতিষ্ঠা লাভত সহায় কৰিছে।

**পুৰুষসকলে ব্যৱহাৰ কৰা সাজপাৰঃ-**

**উগন ঃ**

সাধাৰণ ধূতি বা চুৰিয়াক মিচিং ভাষাত উগন বুলি কোৱা হয়। মিচিং পুৰুষসকলে দৈনন্দিন ঘৰোৱা পৰিবেশত এনে উগন ব্যৱহাৰ কৰে। এই উগন সাধাৰণভাৱে বোৱা হয় যদিও কিছুমানত গামিগ থকাও দেখা যায়।

**গনবৰ ঃ**

'গনবৰ' সাধাৰণ উগনতকৈ বহল উন্নতধৰণৰ আৰু নিদিষ্টতকৈ গামিগ বেছি থকা উগন। সাধৰণ অৰ্থত বৰচুৰিয়া। গনবৰ পৰম্পৰাগত গামিগ আৰু কা সূতাৰে বোৱা হয়। পুৰুষসকলে পূজা, উৎসৱ, ৰাজহুৱা অনুষ্ঠান, সভা, মিবঃগৃক (আলহী খাব যোৱা) আদিত এই গনবৰ পৰিধান কৰাৰ নিয়ম এই মিচিং সমাজত আছে।

**গনৰঃ গনৰ ঃ**

সাধাৰণভাৱে দৈনন্দিন ব্যৱহাৰ কৰা উগনতকৈ বেলেগ। উগন অৰ্থাৎ খাঁটি চুৰিয়া। নিসিজোৱা কেঁচা বগা সূতাৰে নিদিষ্ট পাৰি আৰু গামিগেৰে বোৱা হয়। গনৰঃ ক কেৱল মিবু (দেওধাই), মিবৃ (পুৰোহিত), তাবৌ (বিধান দিব পৰা ভকত) আদিয়েহে পৰিধান কৰাৰ নিয়ম প্ৰচলিত।

**গালুগ ঃ**

সাধাৰণভাৱে বোৱা মিচিং চোলাক 'গালুগ' বুলি কোৱা হয়। সম্প্ৰতি বজাৰত পোৱা যিকোনো চোলাক মিচিং ভাষাত গালুগ বুলি কোৱা হয়।

**লুগ্ৰঃ ঃ**

লুগ্ৰঃ অৰ্থাৎ খাঁটি চোলা। এই লুগ্ৰঃ কেঁচা সূতাৰে পৰম্পৰাগত নক্সা আৰু গামিগেৰে বোৱা হয়। ৰাজহুৱা অনুষ্ঠানত পুৰুষসকলে এই লুগ্ৰঃ পৰিধান কৰাৰ নিয়ম প্ৰচলিত।

**মিবু গালুগ ঃ**

'মিবু গালুগ' সাধাৰণ লোকে ব্যৱহাৰ কৰা গালুগতকৈ সম্পূৰ্ণ পৃথক। নিসিজোৱা বগা কেঁচা সূতাৰে 'ঙচিগ গামিগ' (মাছৰ বাকলিৰ আৰ্হি থকা ফুল) থকা নিদিষ্ট ঘাই গামিগ লগাই শুদ্ধি হাতেৰে বোৱা হয়। এই সাজ কেৱল মিবু, তাবৌ আদিয়েহে পৰিধান কৰিব পাৰে।

**দুমৌৰ ঃ**

মিচিংৰ দুমৌৰ আৰু অসমীয়াৰ গামোচা প্ৰায় একেই। কাৰোবাক সন্মান শ্ৰদ্ধা বা প্ৰীতি উপহাৰ

**মৌৰপুং ঃ**

মৌৰপুং হৈছে মূৰত পাগুৰি হিচাপে পিন্ধা এক ধৰণৰ দীঘল গামোচা জাতীয় পোছাক।

**তাপুম গাচৰ ঃ**

এৰি পলু পুহি সূতা কাতিব জনাৰে পৰা মিচিং সমাজত 'চাপুম গাচৰ' অৰ্থাৎ এৰি চাদৰৰ ব্যৱহাৰ প্ৰচলিত হৈ আহিছে। এই সাজৰ সূতা টান, মসৃণ, ডাঠ আৰু দুইমূৰে দহিবটা থাকে।

**য়াম্ব গাচৰ ঃ**

দৰাঘৰৰ বিয়াত দৰা-কইনাৰ যুগ্ম জীৱনৰ বাবে আদৰি আনিবলৈ মূৰৰ ওপৰত ওৰণি হিচাপে ব্যৱহাৰ কৰা গাচৰ (চাদৰ) ক য়াম্ব গাচৰ নামেৰে জনা যায়। উপৰিপুৰুষৰ শিশুদান পূজা, বংশভিত্তিক পূজা কৰ্মত এই সাজ পুৰুষ-মহিলাই একেলগে ব্যৱহাৰ কৰে।

**মহিলাসকলে ব্যৱহাৰ কৰা সাজপাৰ ঃ-**

**এগে ঃ**

মিচিং মহিলাই পিন্ধা মেখেলাক সাধাৰণতে 'এগে' বুলি কোৱা হয়। এইসমূহ ভিন্ন ৰঙৰ গামিগেৰে ভৰা আৰু দেখিবলৈ বৰ মোহনীয়া।

**গাচৌং ঃ**

গাচৌং হৈছে মিচিং মহিলাই চাদৰ বা শীতত শ্ব'ল হিচাপে ব্যৱহাৰ কৰা ৰিঃবিৰ দৰেই এবিধ ডাঠ বস্ত্ৰ। গাচৌং ৰঙা বা মদাৰ ৰঙৰ কপাহী সূতাৰে বয় আৰু দুইমূৰে বগা-ক'লা ৰেখা টনা থাকে। পূজা, উৎসৱ, ৰাজহুৱা অনুষ্ঠান আদিত এই সাজ পৰিধান কৰাৰ নিয়ম যদিও বৰ্তমান ইয়াৰ ব্যৱহাৰ কম হোৱা পৰিলক্ষিত হয়।

**গাপা আৰু গাৰে ঃ**

গাপা আৰু গাৰে হৈছে পকোৱা সূতাৰে ডাঠকৈ বোৱা মেখেলাজাতীয় বস্ত্ৰ। গাপা কেৱল গাভৰুসকলেহে পৰিধান কৰে আৰু গাৰে সকলো বয়সৰ মহিলাই পৰিধান কৰিব পাৰে।

**গেৰঃ ঃ**

গেৰঃ হৈছে মিচিং মহিলাই মেখেলাৰ ওপৰত পৰিধান কৰা এবিধ মেথনিজাতীয় আকৰ্ষণীয় বস্ত্ৰ। দুৰ্ঘটনাগ্ৰস্ত হৈ ৰক্তক্ষৰণ হ'লে গেৰঃ এখন দুৰ্ঘটনাগ্ৰস্ত জনৰ গাত দিলে ৰক্তক্ষৰণ বন্ধ হৈ বিষ কাটি সুস্থ হয় বুলি মিচিং সমাজত পৰম্পৰাগত লোকবিশ্বাস আছে।

**পঃতোপ ঃ**

পঃতোপ হৈছে মিচিং মহিলাই মূৰত পৰিধান কৰা গামোচাজাতীয় এবিধ বস্ত্ৰ। দৈনন্দিন জীৱনত পথাৰত কাম কঁৰোতে মহিলাই পঃতোপ মূৰত মেৰিয়াই লয়।

**কোঃপব ঃ**

কোঃপব হৈছে মিচিংসকলৰ চেমনীয়া ছোৱালীয়ে গাত পৰিধান কৰা এবিধ চেলেং জাতীয় বস্ত্ৰ। ইয়াক চাদৰৰ দৰে দীঘলকৈ বোৱা হয়।

**পায়েগ ঃ**

পায়েগ বিবাহিত মিচিং মহিলাই তামোলৰ টোপোলা নিবলৈ ব্যৱহাৰ কৰা এবিধ সৰু আকাৰৰ গামোচা। বৃদ্ধা অৱস্থাত মহিলাই পায়েগ লৈ ফুৰাটো এক প্ৰকাৰৰ নিয়ম আছিল।

**পুৰুষ মহিলা উভয়ে ব্যৱহাৰ কৰা সাজপাৰ ঃ**

মিচিং পুৰুষ মহিলাই উভয়ে ব্যৱহাৰ কৰা আপুৰুগীয়া বস্ত্ৰবিধ হৈসে গাদু। ই অসমীয়াত 'মিৰিজিম' নামে খ্যাত। গাদুক কপাহৰ সূতাৰে প্ৰতি সূতাৰ মাজত আঁহ লগাই বোৱা হয়। গাদুক জাৰকালি কম্বলৰ দৰে ব্যৱহাৰ কৰা হয়। ই যথেষ্ট বহল আৰু উমলগা । পৰিয়ালৰ সকলোৱেই গাদু ব্যৱহাৰ কৰিব পাৰি লগতে ৰিংবি, তাপুম গাচৰ, য়াম্ব গাচৰ আদি মিচিং মহিলা পুৰুষৰ উভয়ে কম-বেছি পৰিমাণে ব্যৱহাৰ কৰা দেখা যায়। সাম্প্ৰতিক সময়ত পোৱা আধুনিক সাজপাৰ অন্য সমাজৰ দৰী মিচিং সমাজলৈও দ্ৰুতগতিত আগবাঢ়িছে যদিও ৰাজহুৱা অনুষ্ঠান, সভা, উৎসৱ-পাৰ্বণত পৰম্পৰাগত সাজ-পাৰ স্বকীয়তাৰে সুন্দৰ ৰূপত পৰিধান কৰা পৰিলক্ষিত হৈ আহিছে।

**বিয়াত পৰিধান কৰা সাঁজ-পাৰ ঃ**

মিচিংসকলৰ পৰম্পৰাগত সাজপাৰৰ ভিতৰত বিয়াত পৰিধান কৰা সাজপাৰবোৰ অন্যতম। দৰা আৰু কইনাই পৰিধান কৰা সাজপাৰবোৰৰ এক সুকীয়া বয়নশৈলী দেখিবলৈ পোৱা যায়। বিয়াৰ কাৰণে উপযুক্ত বয়সৰ ছোৱালীয়ে বিয়াৰ প্ৰয়োজনীয় সাজপাৰ নিজেই গাভৰু বয়সতেই প্ৰস্তুত কৰি ৰখাটো মিচিং নাৰীৰ এক বিশেষত্ব। ঠিক সেইদৰে দৰাৰ মাক, বায়েক, ভণিয়েক আনকি খুড়ীয়েকহঁতেও প্ৰস্তুত কৰি দিয়া দেখা যায়।

**দৰাৰ সাঁজ-পাৰ ঃ-**

দৰাই বিয়াত পৰিধান কৰা সাঁজ-পাৰবোৰ হ'ল —

**য়াম্ব গালুক ঃ**

মিচিং সমাজৰ আনুষ্ঠানিকভাৱে আয়োজন কৰা মিদাঙত য়াম্ব গালুক পৰিধান কৰে। য়াম্ব গালুকৰ লগত মিবু গালুকৰ সাদৃশ্য আছে। প্ৰধানতঃ দৰাই বগা, ক'লা আৰু সেউজীয়া ৰঙৰ য়াম্ব গালুক পৰিধান কৰে। এইবিধ বোলাৰ বুকু আৰু পিঠি অংশত গৰ্গে গামিক, মুৰংঘৰৰ আৰ্হিৰ গামিক আৰু তাজমহল আৰ্হিৰ গামিকেৰে বোৱা হয়। ইয়াৰ কোনো নিৰ্দিষ্ট জোখ নাই। দৰাৰ উচ্চতা অনুযায়ী য়াম্ব গালুক তৈয়াৰ কৰি লোৱা হয়। উল্লেখযোগ্য যে অসমীয়া ভাষী সমাজৰ দৰাক কইনাঘৰে জোৰোণত দৰাৰ কপোৰ সাজ দিয়াৰ দৰে মিচিং সমাজত দিয়াৰ নিয়ম নাই।

**য়াম্ব দুমৌৰ ঃ**

দৰাই ডিঙিত মেৰিয়াই লোৱা কাপোৰবিধ হ'ল য়াম্ব দুমৌৰ। আকৃতিত এক প্ৰকাৰৰ গামোচাৰ দৰে। মাত্ৰ গামোচাৰ ৰঙা ফুলৰ বিপৰিতে ইয়াত বিশেষকৈ ৰঙা, ক'লা আৰু বগা ৰঙৰ সূতাৰে সংমিশ্ৰিত ফুল দুয়োমূৰে বছা থাকে। এই য়াম্ব দুমৌৰ সাধাৰণ দুমৌৰতকৈ দীঘল আৰু বহল। পকুৱা, পাট সূতাৰে এই য়াম্ব দুমৌৰ বোৱা হয়।

**গনবৰ ঃ**

গনবৰ সাধাৰণতে উগনতকৈ বহল উন্নত ধৰণৰ আৰু নিৰ্দিষ্টতকৈ গামিগ বেছি থকা উগন সাধাৰণ অৰ্থত বৰচুৰীয়া। গনবৰ পৰম্পৰাগত গামিগ আৰু বগা সূতাৰে বোৱা হয়। পুৰুষসকলে বিবাহ, পূজা-উৎসৱ, ৰাজহুৱা অনুষ্ঠান, সভা, মিবঃগৃক (আলহী খাব যোৱা) আদিত এই গনবৰ পৰিধান কৰাৰ নিয়ম মিচিং সমাজত প্ৰচলিত।

**জিন্ৰৌগ ঃ**

গালুকৰ ওপৰত কঁকালত পথালিকৈ মৰা দুমৌৰতকৈ দীঘল দুইমূৰে ফুল বছা কপোৰখনক জিন্ৰৌগ বোলে। ইয়াকে অঞ্চলভেদে (দিখৌমুখ, দিচাংমুখ, জাঁজীমুখ, বৰহোলা, তিতাবৰ, বোকাখাত, গোলাঘাট, বুৰৈ, ভৰলী, ৰঙনদী, গৰৈমাৰি) টঙালীও বোলে। দুমৌৰ মূল কাপোৰখন বগা কিন্তু জিন্ৰৌগ কাপোৰখন ৰঙ বিৰঙৰো হয়। প্ৰধানকৈ ৰঙা, বগা, হালধীয়া, ক'লা আৰু সেউজীয়া ৰঙেৰে তৈয়াৰ কৰা হয়।

**কইনাই পৰিধান কৰা সাঁজ-পাৰবোৰ হ'ল ঃ-**

**য়াম্ব ঃ**

মাংগলিক কাপোৰৰূপে মৰ্যদা দিয়া কপোৰৰ ভিতৰত অন্যতম হ'ল য়াম্ব। এই য়াম্ব এবিধ বগা, ক'লা, ৰঙা, হালধীয়া, নীলা, সেউজীয়া আদি বিভিন্ন ৰঙৰ সূতাৰে বোৱা চাদৰ জাতীয় কাপোৰ। কপাহী সূতা, পকোৱা সূতা আৰু ঊণ সূতাৰে প্ৰস্তুত কৰা দেখা যায়। এইবিধ কাপোৰ ফুল বছাও হয় আৰু ফুল নবছাকৈও বোৱা দেখা যায়। লিয়াত কইনাই পৰিধান কৰাৰ লগতে উৰম উয়ু, গিয়াতি উয়ু আৰু কুঃচাগ আদিত মহিলাসকলে পৰিধান কৰা পৰিলক্ষিত হয়। অঞ্চলভেদে ইয়াৰ ব্যৱহাৰৰ তাৰতম্য দেখা যায়।

**পঃনিয়াং বা কনিয়াং গাচৰ ঃ**

বিয়াত পৰিধান কৰা আন এক কইনাৰ সাজ-পাৰ হ'ল পঃনিয়াং বা কনিয়াং গাচৰ। পঃনিয়াং বা কনিয়াং গাচৰ কইনাই মূৰে গাই ঢাকি লোৱা দেখা যায় অৰ্থাৎ ওৰণি চাদৰ ৰূপে ব্যৱহাৰ কৰা দেখা যায়। ইয়াৰ দীঘল প্ৰায় চাৰি মিটাৰ আৰু বহল প্ৰায় দুইমিটাৰমান হয়। এইবিধ কাপোৰত গৰগে গামিক, আপ্লুন গামিক আৰু ঙচিক গামিক তোলে। দীঘে বাণিয়ে বিশেষকৈ বগা, মাখন ৰঙৰ সূতাৰেবোৱা হয় আৰু ফুলবোৰ মুগা বা অন্যান্য ৰঙেৰেও তোলা হয়।

**ৰুম্বুং ঃ**

য়াম্ব আকৃতিৰ আন এবিধ কাপোৰ হৈছে ৰুম্বুং। সাধাৰণতে বগা, ক'লা, ৰঙা, হালধীয়া, নীলা, সেউজীয়া আদি ৰঙৰ সংমিশ্ৰণত বোৱা কাপোৰ । জ্যামিতিৰ ত্ৰিভূজ আকাৰৰ বিভিন্ন ৰঙৰ সমাহাৰেৰে ফুল বছা এই ৰুম্বুং ন-কইনাই নতুন ঘৰত পৰিধান কৰা দেখ যায়। এই ৰুম্বুং এক প্ৰকাৰ শ্বল জাতীয় গাত লোৱা কপোৰ। সেইকাৰণে এই ৰুম্বুং ঊণ সূতাৰে বেছিকৈ বৈ লোৱা দেখা যায়।অতীতত মিচিং মহিলাই সাধাৰণতে এইখনকে শ্বল ৰূপে পৰিধান কৰিছিল। আজিকালিহে বজাৰৰ শ্বল জাতীয় কাপোৰ ক্ৰয় কৰি লোৱা দেকগা যায়। অৰশ্যে এতিয়াও নিজৰ তাঁতশালত বোৱা এই ৰুম্বুৰ চাহিদা কমি যোৱা নাই। মহিলাসকলৰ উপৰিও কেঁচুৰা বোকোচাত লওঁতে নৌবৃঙে ঠান্দা নিবাৰনৰ বাবে কেঁচুৰাৰ ওপৰত লোৱা দেখা যায়।

**এগেঃ ঃ**

মিচিং মহিলাই পিন্ধা মেখেলাক সাধাৰণতে এগেঃ বুলি কোৱা হয়। এইসমূহ ভিন্ন ৰঙৰ গামিগেৰে ভৰা আৰু দেখিবলৈ বৰ মোহনীয়া।

**গেৰঃ ঃ**

গেৰঃ মিচিং মহিলাই মেখেলাৰ ওপৰ্ত পৰিধান কৰা এবিধ মেথনিজাতীয় আকৰ্ষণীয় বস্ত্ৰ।

**গাচৌং ঃ**

গাচৈং হৈছে মিচিং মহিলাই চাদৰ বা শীতত শ্বল হিচাপে ব্যৱহাৰ কৰা ৰিঃবৰ দৰেই এবিধ ডাঠ বস্ত্ৰ। গাচৌং ৰঙা বা মদাৰ ৰঙৰ কপাহী সূতাৰে বয় আৰু দুইমূৰে বগা, ক'লা ৰেখা টনা থাকে।

## চতুৰ্থ অধ্যায়

### ৪.০০ বিবাহৰ ৰীতি-নীতি

অসমৰ অন্যতম বৃহৎ জনগোষ্ঠী মিচিংসকলৰ বৈবাহিক নীতি অতি কটকটীয়া আৰু সেই নীতি-নিয়মবোৰ কঠোৰভাৱে মানি চলে। শ শ বছৰ অনামিচিং জাতি-জনগোষ্ঠীৰ মাজত সহবস্থান কৰাৰ ফলত তেওঁলোকৰ সমাজ-সংস্কৃতি বহু পৰিমাণে সলনি হ'লেও পৰম্পৰাগত ৰীতি-নীতিৰ বহুখিনি এতিয়াও নিষ্ঠাৰে মানি চলে আৰু নিয়ম উলংঘা কৰোতাক সমাজে বিচাৰ কৰি যথোচিত শাস্তি প্ৰদান কৰে।

মিচিংসকলে বৰ্হিগোত্ৰীয় (Clan endegamous) আৰু আন্তঃগোষ্ঠীয় (Tribe endegamous)বৈবাহিত নীতি মানি চলে। তেওঁলোকে গোত্ৰ (ওঃমৃল) আৰু উপাধি বা খেল (অপৌন) ৰ দ্বাৰা বিবাহ নীতি নিৰ্ধাৰণ কৰে। মিচিংসকলৰ মাজত প্ৰায় তিনিকুৰি উপাধি বা গেন (অপৌন) আছে আৰু সেই অপৌনবোৰ কেইবাগৰাকীও আদিম পুৰুষ বা গুঃমৃন পৰা উদ্ভৱ হোৱা বুলি বিশ্বাস কৰে। একে গুঃমৃনৰ পৰা উদ্ভৱ হোৱা অপৌন্বোৰৰ মাজত বিবাহ হ'ব নোৱাৰে। যেন্ব 'বমি' নামৰ আদিম পৰুষ বা গুঃমৃন জনৰ পৰা উৎপত্তিজাত নুলি বিশ্বাস কৰি কুলি, কুটুম, কুম্বাং কমান আৰু মিলি অপৌনবোৰৰ মাজত বিবাহ নহয়। কিয়নো তেওঁলোকৰ শৰীৰত একেজন পৃতিৰে তেজ আছে। মিচিং উপাধি যেনে — পায়েং, পাদুং, টাইদ, পেগু দলে নৰহ আদি অপৌন কোনো প্ৰকৃততে একো একোজান মানুহৰহে নাম। তেওঁলোকৰ পৰা উৎপত্তি হোৱাসকলে সেই নামবোৰকেই উপাধি হিচাপে গ্ৰহণ কৰে।গতিকে একী উপাধি ধাৰী সকলৰ মাজত যিকোনো পৰিস্থিতিতে বিবাস অসম্ভৱ। উদাহৰণস্বৰূপে - পায়েঙে পায়েঙক, পেগুৱে পেগুক, পাতিৰে পাতিৰক বিয়া কৰিব নোৱৰে। গতিকে তেওঁলোকে অন্য গোত্ৰ (গুংমৃন) বা অন্য বংশ (অপৌন)ৰ পৰাহে পাত বা পাত্ৰী বিচাৰিব লাগে।

মিচিংসকলে নিজৰ জনগোষ্ঠীৰ ভিতৰত বৈবস্শিত সম্পৰ্ক হোৱাটো বিচাৰে। অৱশ্যে সম্প্ৰতি যুৱক-যুৱতী সকলে এই নিয়মৰ প্ৰাচীৰ ভাঙি বিভিন্ন জাতি-জনগোষ্ঠীৰ লগতো বিবাশ পাশত আবদ্ধ হোৱা দেখা গৈছে। তথাপিও তেনে বিবাহক এতিয়াও সমাজে অগ্ৰাধিকাৰ নিদিয়ে।

এক পত্নীক বিবাহ মিচিং সমাজৰ স্বীকৃতি প্ৰথা। এজন মানুহে একে সময়ত কেৱল এগৰাকী নাৰীক পত্নিৰূপে গ্ৰহণ কৰাটোৱে সমাজে বিচাৰে। অৱশ্যে প্ৰথম গৰাকী পত্নীৰ বিচ্ছেদ বা মৃত্যু হ'লে পুনৰ অন্য এগৰাকী তিৰোতাক বিবাহ কৰোৱাত বাধা নাই। আনহাতে বহুপতি বিবাহ মিচিং সমাজত নিষিদ্ধ। কিন্তু স্বামীৰ মৃত্যু বা বিবাহ বিচ্ছেদ হোৱাৰ পিছত পুনৰ অন্য এজন পুৰুষক বিবাহ কৰোৱাব পাৰে। সমাজত বিধৱা বিবাহৰ প্ৰচলন আছে। এগৰাকী বিধৱাই ইচ্ছা কৰিলে মিতিৰ সম্পৰ্কৰ অন্য এগৰাকী পুৰুষ বাচি লব পাৰে। দূৰ অতীতত ককায়েকৰ অকাল মৃত্যু হলে ভায়েকেও বৌৱেকক পত্নিৰূপে গ্ৰহণ কৰি মৃত ককায়েকৰ বিপন্ন পৰিয়ালটো ৰক্ষা কৰিছিল।

মিচিং বিবাহ নীতিমতে নিজৰ মোমায়েক, পেহীয়েক আদিৰ ল'ৰা-ছোৱালীৰ মাজত বিবাহ হব পাৰে কিন্তু মাহিয়ীক বা জেঠায়েকৰ সন্তানৰ মাজত বিবাহ নিষিদ্ধ। আগৰ দিনত নিজৰ মোমায়েকৰ লৰা বা ছোৱালীক জোঁৱাই বা বোৱাৰী কৰি ল'ব পৰাটো গৌৰৱৰ বিষয় আছিল। দেখাক দেখি মিচিং সকলেও আজিকালি এই বিবাহ প্ৰথাক (cross cousin marriage) উৎসাহ নিদিয়া হ'ল। আনহাতে মিচিং সমাজত বাল্য বিবাহৰ প্ৰচলন নাই।

মিচিং সমাজত উচ্চ বৰ্ণ-নিম্নকৰ্ণৰ স্থান নাই। সম্পূৰ্ণ গনতান্ত্ৰিক পদ্ধতীত পৰিচালিত তেওঁলোকৰ সমাজত সকলো গোত্ৰ (গুঃমৃন) আৰু বংশ (অপৌন) ৰ মৰ্যাদা সমান। মিতিৰ সম্পৰ্কৰ সকলো গঃমৃন

আৰু অপৌন ৰ মাজত বিবাহ হ'ব পাৰে। অসমৰ মিচিংসকলে পাহাৰৰ পৰা ভৈয়ামলৈ বিভিন্ন সময় আৰু দল (group) বিভক্ত হৈ আহিছিল যদিও এই দলবোৰৰ মাজত কোনো ভেদাভেদ নাই।

মিচিং সমাজ পিতৃতান্ত্রিক (partriarchal) বিয়াৰ পাছত চোৱালীয়ে স্বামীৰ উপাধি গ্ৰহণ কৰে আৰু তেওঁলোকৰ জন্মজাত সন্তানেও পিতৃৰ উপাধি লয়। 'চই-চেংমাং' নামৰ এটা ধৰ্মীয় অনুষ্ঠানৰ দ্বাৰা ছোৱালীক স্বামীগৃহৰ বংশলৈ তুলি লোৱা হয়। এই সকাম নোহোৱালৈকে বিয়া হৈ আহিলেও এজনী ছোৱালী স্বামীবংশৰ সম্পূৰ্ণ সদস্য হোৱা বুলি নধৰে। মৃত লোকত তেনে মৃতকৰ আত্মাক পূৰ্বপুৰুষ সকলে আশ্রয় নিদিয়ে বুলি সমাজে বিশ্বাস কৰে। আনহাতে শঙ্কৰীসংস্কৃতি গ্ৰহণ কৰাৰ আগতে মিচিং বিবাহিত তিৰোতাই শিৰত সেন্দুৰ ফোট লোৱা নাছিল। বিবাহিত তিৰোতাই বুকুত মেথনি মাৰি মেখেলা পিন্ধিছিল আৰু তাৰ ওপৰত কঁকালৰ পৰা আঠুলৈকে পোৱাকৈ 'চেগ্ৰৌগ' নামৰ এখন কাপোৰ পিন্ধিছিল।

হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ আগতে মিচিং সকলৰ ধৰ্মিয় কাম-কাজ পৰম্পৰাগত পুৰোহিত মিবুৰ দ্বাৰা সম্পন্ন কৰা হৈছিল। কিন্তু কাল-সংহতি পন্থী নৱ-বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰা দিন ধৰি সত্ৰত শৰণ ভজন লোৱা সাধু সাতোলাৰ দ্বাৰা বিবাহকে ধৰি সকলো ধৰ্মীয় কাম পৰিচালনা কৰি আহিছে। আনহাতে একশৰণ ভাগৱতী ধৰ্মী মিচিংসকলৰ বিবাহ 'বিৱহ আৰ্চায্যই' পৰিচালনা কৰে।

## পঞ্চম অধ্যায়

### ৫.০০ উপসংহাৰ ঃ

বিবাহ হৈছে মানৱ জীৱনৰ লগত জড়িত এটা সামাজিক অনুষ্ঠান। এই বিবাহ সংস্কৃতিৰো এৰাব নোৱাৰা অংগ। মিচিংসকলৰ সমাজ-সংস্কৃতিৰ যথেষ্ট আলোচনা হৈছে যদিও কিছুমান বিশেষ ৰীতি-নীতিৰ বিষয়ে নতুন নতুন অনুসন্ধান আৰু অধ্যয়নৰ থল এতিয়াও আছে। এনেদৰে পৰম্পৰা আৰু পৰিৱৰ্তনৰ প্ৰবাহত মিচিং বিবাহ পদ্ধতি বৰ্তমানেও প্ৰচলিত আছে। পৰিবৰ্তন আৰু সংমিশ্ৰণৰ সোঁতত বৈ থাকিলেও মিচিং বিবাহ পদ্ধতি স্বকীয় বৈশিষ্ট্যৰ সমুজ্জ্বল হৈ আছে। অসমৰ এই জনগোষ্ঠীয় সমাজ সংস্কৃতিসমূহৰ অধ্যয়ন যিমানেই হ'ব সিমানেই বৃহত্তৰ অসমীয়া সমাজ-সংস্কৃতিও সমৃদ্ধিশালী হ'ব।

### ৫.০১ সিদ্ধান্ত ঃ

বিবাহৰ ক্ষেত্ৰত মিচিংসকল আদিৰে পৰা নিজা পৰম্পৰাগত সাজ-পাৰ, ৰীতি-নীতি পৰিলক্ষিত হয়। গৱেষণা পত্ৰখন প্ৰস্তুত কঁৰোতে মিচিংসকলৰ বিবাহৰ বিষয়ে আলোচনা কৰাৰ অন্তত কিছুমান সিদ্ধান্তত উপনিত হ'ব লগা হয়। তলত সিদ্ধান্তসমূহ উল্লেখ কৰা হ'ল-

(ক) মিচিং জনগোষ্ঠীয় লোকসকলৰ বৈবাহিক নীতি-নিয়মবোৰ কঠোৰ ভাৱে মানি আহিছে। এই নীতি-নিয়ম অতীজৰে পৰা চলি আহিছে।

(খ) সাজ-পাৰৰ ফালৰপৰা বিবাহত পৰিধান কৰা সাজ-পাৰবোৰ অন্যতম।

(গ) আজিকালি বিয়া সমূহত নিয়ম-নীতিৰ সলনি জাক-জমকতাই বেছি ঠাই পইছে।

(ঘ) বৰ্তমান সময়ত বিবাহৰ বহুতো পৰিবৰ্তন হৈছে।

**প্ৰসংগ টোকা ঃ**

১) পায়েং, সদানন্দ, মিচিং জনজাতি সমাজ আৰু সংস্কৃতি, পৃ: ৫১-৬১।

২) পেগু, ড° গনেশ, ব্ৰহ্মপুত্ৰ উপত্যকাৰ মিচিং জনজাতি আৰু তেওঁলোকৰ মৌখিক সাহিত্যৰ সমীক্ষামূলক অধ্যয়ন, পৃ: ৪৮-৫২।

৩) দাস, ড° অংশুমান, অসমৰ বাৰেবৰণীয়া সংস্কৃতি, পৃ: ২১৭-২২৫।

**গ্ৰন্থপঞ্জী ঃ**


১) কাগয়ুং, মৃণালী : *অসমৰ সংস্কৃতি অধ্যয়ন,* প্ৰকাশক: ৰমেশ প্ৰসাদ লভিয়া, সৰস্বতী প্ৰকাশন, আগষ্ট ২০২০ ।

২) দাস, অংশুমান : *অসমৰ বাৰেবৰণীয়া সংস্কৃতি,* সৰস্বতী মৰ্কেট, যশোৰন্ত ৰোড, পাণবজাৰ গুৱাহাটী, প্ৰথম প্ৰকাশ: ডিচেম্বৰ ২০১৩ ।

৩) দাস, অংশুমান : *অসমৰ জনগোষ্ঠীয় উৎসৱ-পাৰ্বণ,* প্ৰকাশকঃ আঁক-বাক, ডিচেম্বৰ ২০১৩ ।

৪) পেগু, গনেশ : *ব্ৰহ্মপুত্ৰ উপত্যকাৰ মিচিং জনজাতি আৰু তেওঁলোকৰ মৌখিক সমীক্ষামূলক অধ্যয়ন,* প্ৰকাশক: এন. এল. পাব্লিকেশ্বনছ, আনন্দৰাম বৰুৱা পথ, পাণ বজাৰ,গুৱাহাটী,২০১০

৫) পায়েং, সদানন্দ : *মিচিং জনজাতি সমাজ আৰু সংস্কৃতি,* জাগৰন সাহিত্য প্ৰকাশন, প্ৰথম প্ৰকাশক, ২০১১।

৬) পাটৰ, পম : *জনজাতি সমাজ-সংস্কৃতি,* প্ৰকাশক: গ্ৰন্থস্বত্ব, প্ৰথম প্ৰকাশ জুলাই, ২০০৮।

**সমলদাতা সকলৰ সংক্ষিপ্ত তথ্য ঃ**

১) নাম : শ্ৰীমতী নমিতা পলং
লিংগ : মহিলা
বয়স : ৪৫ বছৰ
ঠিকনা : গড়াজান মিচিং গাওঁ,
জীৱিকা : শিপিনী
সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক : ১৪.০৫.২১

২) নাম : শ্ৰীমতী অঞ্জুমণি ৰেগন
লিংগ : মহিলা
বয়স : ৩৩ বছৰ
ঠিকনা : গড়াজান মিচিং গাওঁ,
জীৱিকা : শিপিনী
সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক : ১৪.০৫.২১

৩) নাম : শ্ৰীমতী চম্পা পলং
লিংগ : মহিলা
বয়স : ৪৩ বছৰ
ঠিকনা : গড়াজান মিচিং গাওঁ,
জীৱিকা : শিপিনী
সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক : ১৪.০৫.২১

৪) নাম : শ্ৰীমতী লিলি পলং
লিংগ : মহিলা
বয়স : ৬৫ বছৰ
ঠিকনা : গড়াজান মিচিং গাওঁ,
জীৱিকা : শিপিনী
সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক : ১৪.০৫.২১

৫) নাম : শ্ৰীমতী বিশাল মিপুণ
লিংগ : পুৰুষ
বয়স : ২০ বছৰ
ঠিকনা : গড়াজান মিচিং গাওঁ,
জীৱিকা : শিক্ষাৰ্থী
সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক : ১৪.০৫.২১

৬) নাম : শ্ৰীমতী শেৱালী পলং

লিংগ : মহিলা

বয়স : ৩৪ বছৰ

ঠিকনা : চৰিয়া পথাৰ মিচিং গাওঁ,

জীৱিকা : শিপিনী

সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক : ২০.০৫.২১

৭) নাম : শ্ৰীমতী মাইনী পলং

লিংগ : মহিলা

বয়স : ৬৫ বছৰ

ঠিকনা : চৰিয়া পথাৰ মিচিং গাওঁ,

জীৱিকা : শিপিনী

সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক : ২০.০৫.২১

আলোকচিত্ৰ ঃ



মহিলাসকলে পৰিধান কৰা
সাজপাৰ



এগেঃ



গেৰঃ

মিচিংসকলৰ বিবাহৰ কিছু আলোকচিত্ৰ ঃ





